ULB

# Assamese Unlocked Literal Bible

## হবক্কুক ভাববাদীৰ পুস্তক ।

### সংস্কৰণ 4

[as]

No warranties are given. The license may not give you all of the permissions necessary for your intended use. For example, other rights such as publicity, privacy, or moral rights may limit how you use the material.

# সুচিপত্ৰ

**হবক্কুক ভাববাদীৰ পুস্তক। ..... 5**
Chapter 1 ..... 5
Chapter 2 ..... 6
Chapter 3 ..... 7
**অবদানকাৰী ..... 9**
Assamese Unlocked Literal Bible অবদানকাৰী ..... 9
Tischendorf Greek New Testament 8th edition অবদানকাৰী ..... 9

# হবক্কুক ভাববাদীৰ পুস্তক।

## Chapter 1

### হবক্কুক ভাববাদীয়ে দৰ্শনত পোৱা গভীৰ বাক্য।

1ঘোষণাকাৰী ভাববাদী হবক্কুক গৃহিত কৰিলে।

2“হে যিহোৱা, মই কিমান দিন সহায়ৰ বাবে কান্দি থাকিম, আৰু আপুনি নুশুনাকৈ থাকিব?

মই আপোনাৰ আগত অত্যাচাৰৰ ভয়ত কাতৰোক্তি কৰি আছোঁ, কিন্তু আপুনি মোক ৰক্ষা নকৰে।

3আপুনি মোক কিয় অপৰাধ চাব দিছে, আৰু অন্যায় কাৰ্ম চাই আছে?

মোৰ আগত উপদ্ৰৱ আৰু অত্যাচাৰ হৈছে, ইয়াত বিৰোধ, আৰু বিবাদ বৃদ্ধি হৈছে।

4সেই কাৰণে বিধান নিৰ্বল হৈছে, আৰু ন্যায় বিচাৰ বহুদিনলৈকে নাথাকিব।

দুষ্টই ধাৰ্ম্মিকক চাৰিওফালে বেৰি ধৰাৰ কাৰণে, ভুল বিচাৰ হয়।

5দেশীয় লোকসকলক পৰীক্ষা কৰি চোৱা, আৰু আচৰিত আৰু বিস্মিত হোৱা;

কাৰণ মই তোমালোকৰ দিনত নিশ্চয় এনে কাৰ্য কৰিম; যি কাৰ্য তোমালোকৰ আগত প্ৰকাশ হলেওঁ তোমালোকে বিশ্বাস নকৰিবা।

6কাৰণ চোৱা, দেশৰ হিংস্ৰ আৰু উদ্দাম কলদীয়াসকলক মই তুলি ধৰিম।

তেওঁলোকে পৃথিবীৰ প্ৰস্থেদি যাত্ৰা কৰি, যিবোৰ তেওঁলোকৰ ঘৰ নহয় সেইবোৰ অধিকাৰ কৰিব।

7তেওঁলোক ত্ৰাসজনক আৰু ভয়ানক; তেওঁলোকৰ বিচাৰ আৰু আড়ম্বৰ তেওঁলোকৰ নিজৰ পৰা অগ্ৰসৰ হয়।

8তেওঁলোকৰ ঘোঁৰাবোৰো নাহৰ-ফুটুকী বাঘতকৈয়ো দ্রুতবেগী, আৰু গধূলি পৰৰ ৰাংকুকুৰতকৈয়ো বেগী!

সেয়ে তেওঁলোকৰ ঘোঁৰাবোৰ ছাব মৰা,

আৰু তেওঁলোকৰ অশ্বাৰোহীসকল ঈগলে খাবলৈ বেগেৰে উৰি অহাৰ দৰে বহু দূৰৰ পৰা বেগেৰে আহে।

9তেওঁলোক সকলোৱে অত্যাচাৰৰ বাবে আহে;

তেওঁলোক দলে দলে মৰুভূমিৰ বতাহৰ দৰে যায়, আৰু তেওঁলোকে বালিৰ দৰে বন্দীসকলক গোট খোৱাই।

10সেয়ে তেওঁলোকে ৰজাসকলক বিদ্রূপ কৰে, আৰু শাসনকৰ্ত্তা সকল তেওঁলোকৰ বাবে হাঁহিয়াতৰ পাত্ৰ হয়।

তেওঁলোকে প্ৰত্যেক দুৰ্গক তুচ্ছ জ্ঞান কৰে; কাৰণ তেওঁলোকে মাটি দ’ম কৰি সীমা বান্ধি সেই সকলো কাঢ়ি লয়।

11তেতিয়া তেওঁলোক বতাহৰ দৰে ক্ষিপ্ৰগতিৰে আগবাঢ়িব; আৰু নিজৰ সেই শক্তিয়েই তেওঁলোকৰ দেৱতা হোৱাত তেওঁলোক দোষী হব ।

12“হে মোৰ ঈশ্বৰ যিহোৱা, মোৰ পবিত্ৰ জনা, আপুনি অনাদি কালৰে পৰা নাই জানো? আমাৰ মৃত্যু নহ’ব।

হে যিহোৱা বিচাৰৰ বাবে তেওঁলোকক অভিষেক কৰিলে, আৰু আপুনি আমাৰ শিল, তেওঁলোকক শংসোধন কৰিবলৈ আপুনি প্ৰতিষ্ঠিত হ’ল।

13আপোনাৰ পাপলৈ স্থিৰভাৱে দৃষ্টি কৰিবলৈ আপোনাৰ চকু অতি পবিত্ৰ, আৰু আপুনি অনুগ্ৰহেৰে সৈতে অন্যায় কাৰ্য চাব নোৱাৰে।

তেনেহ’লে আপুনি বিশ্বাসঘাত কৰা সকললৈ কিয় অনুগ্ৰহেৰে দৃষ্টি কৰিছে?

দুষ্টলোকে নিজতকৈ অধিক ধাৰ্ম্মিক লোকক গ্ৰাস কৰাৰ সময়ত আপুনি কিয় নিৰৱে থাকে?

14আপুনি সাগৰৰ মাছৰ দৰে, আৰু শাসনকৰ্ত্তা নোহোৱা বগাই যোৱা লতাৰ দৰে মানুহক সৃষ্টি কৰিলে?

15তেওঁলোকে তেওঁলোকৰ সকলোকে বৰশীৰে তোলে, তেওঁলোকে মাছ ধৰা জালেৰে মানুহক ধৰে,

আৰু তেওঁলোকক তেওঁলোকৰ জালত গোটায়; এই কাৰণে তেওঁলোকে উৎসাহিত হৈ চিঞৰে আৰু আনন্দ কৰে।

16সেই কাৰণে তেওঁলোকে নিজৰ মাছ ধৰা জালৰ উদ্দেশ্যে উৎসৰ্গ কৰে আৰু তেওঁলোকৰ জালৰ উদ্দেশ্যে ধূপ জ্বলায়;

কাৰণ হৃষ্টপুষ্ট পশুবোৰ তেওঁলোকৰ অংশ আৰু চৰ্ব্বিযুক্ত মাংস তেওঁলোকৰ আহাৰ হয়।

17সেয়েহে তেওঁলোকে সহানুভূতি নোহোৱাকৈ নিজৰ জাল খালি কৰি, অবিৰামভাবে দেশীয়লোকসকলক বধ কৰিব নে?

## Chapter 2

1মোৰ প্ৰহৰীস্থানত মই থিয় হম, আৰু পহৰা দিয়া ওখ স্তম্ভত মই নিজে থাকিম,

আৰু তেওঁ মোক কি ক'ব, আৰু মোৰ অভিযোগৰ পৰা মই কেনেকৈ ঘুৰিব পাৰো, সেই বিষয়ে মই সাৱধানতাৰে চাম।

2যিহোৱাই মোক উত্তৰ দি কলে,

এই দৰ্শনৰ কথা লিখি থোৱা, আৰু এনে স্পষ্টকৈ ফলিত লিখা, যাতে যি কোনো এজনে খৰকৈ পঢ়িব পাৰে।

3কাৰণ এই দৰ্শন ভবিষ্যত সময়ৰ বাবে আৰু শেষত এই দৰ্শন বিফল নোহোৱাকৈ সিদ্ধ হ'ব।

যদিও পলম হয়, তাৰ বাবে অপেক্ষা কৰিবা; কাৰণ সেয়া নিশ্চয় সিদ্ধ হ'ব, আৰু পলম নহব।

4চোৱা, মানুহৰ আত্মা অহঙ্কাৰী হয় আৰু নিজৰ অন্তৰেই ন্যায়পৰায়ণ নহয়, কিন্তু ধাৰ্মিক লোক নিজৰ বিশ্বাসৰ দ্বাৰাই জীয়াই থাকিব।

5কাৰণ সুৰাই গৰ্ব্বী যুৱকক বিশ্বাসঘাতক কৰে; সেয়ে তেওঁ সহ্য নকৰে,

কাৰণ তেওঁ নিজৰ অভিলাষ সমাধি আৰু মৃত্যুৰ দৰে সম্প্ৰসাৰিত কৰে, যি কেতিয়াও সন্তোষ্ট নহয়।

তেওঁ নিজৰ বাবে সকলো দেশ আৰু লোকসকলক গোটাই,

6এই সকলো লোক তেওঁৰ বিৰুদ্ধে দৃষ্টান্ত স্বৰূপ আৰু তেওঁৰ সম্পৰ্কে বিদ্ৰূপজনক প্ৰচলিত বাক্য নক'ব নে? তেওঁলোকে ক'ব,

'যি নিজৰ নহয়, তেনে অভিশাপ যিজনে বৃদ্ধি কৰে! তেনেহ'লে তুমি কিমান দিন অঙ্গীকাৰৰ বোজাৰ ভাৰ বৃদ্ধি কৰিবা?

7যিজনে তোমাৰ অহিতে দাঁতকৰচে তেওঁ অকস্মাতে তোমাৰ অহিতে উঠে, আৰু যিজনে তোমাক আতঙ্কিত কৰে তেওঁ জাগ্ৰত নহ'ব নে?

তুমি তেওঁলোকৰ বাবে প্ৰতাৰিত লোক হ'বা!

8তুমি অনেক দেশ লুট কৰাৰ কাৰণে লোকসকলৰ অৱশিষ্ট লোকে তোমাক লুট কৰিব;

মানুহৰ ৰক্তপাতৰ কাৰণে, দেশ, গাঁও, আৰু তাৰ আটাই নিবাসীসকললৈ কৰা অত্যাচাৰৰ বাবে এয়ে সিদ্ধ হ'ব।

9অমঙ্গলৰ হাতৰ পৰা উদ্ধাৰ পাবলৈ, তেওঁ ওখ ঠাইত নিজৰ বাসস্থান স্থাপন কৰে,

যিজনে নিজৰ ঘৰৰ বাবে পাপ অৰ্জন কৰে তেওঁৰ সন্তাপ হব।

10অনেক লোকক উচ্ছন্ন কৰিবলৈ তুমি তোমাৰ ঘৰৰ বাবে লজ্জাজনক চিন্তা কৰিলা, আৰু তোমাৰ নিজৰ আত্মাৰ বিৰুদ্ধে পাপ কৰিলা।

11দেৱালৰ মাজৰ পৰা শিলে চিঞৰি কান্দিব, আৰু কাঠৰ মাজৰ পৰা চটিয়ে তাৰ উত্তৰ দিব।

12ৰক্তপাতেৰে নগৰ নিৰ্মাণ কৰা জনৰ আৰু অপৰাধৰ দ্বাৰাই নগৰ স্থাপন কৰা জনৰ সন্তাপ হব।

13লোকসকলে জুইৰ বাবে পৰিশ্ৰম কৰে, আৰু সেই দেশবাসীয়ে অসাৰ বস্তুৰ বাবে ক্লান্ত হয়,

এয়ে বাহিনীসকলৰ যিহোৱাৰ পৰা নহয় নে? 14সমুদ্ৰ যেনেকৈ পানীৰে ভৰপুৰ, সেইদৰে পৃথিৱীখন যিহোৱাৰ জ্ঞানৰ মহিমাৰে পৰিপূৰ্ণ হব ।

15যি জনে নিজৰ চুবুৰীয়াৰ বিবস্ত্ৰতা চাবৰ বাবে তেওঁক সুৰা পান কৰায়, মতলীয়া নোহোৱালৈকে বিহ দি তেওঁক সুৰা পান কৰায় থাকে,

সেই জনৰ সন্তাপ হব।

16তুমি গৌৰৱৰ পৰিৱৰ্তে লাজেৰে পৰিপূৰ্ণ হ'বা; তুমিও পান কৰা, আৰু তোমাৰ নিজৰ বিৱস্ত্ৰতা প্ৰকাশ কৰা!

যিহোৱাৰ সোঁ হাতত থকা পিয়লা তোমালৈ ঘূৰি আহিব, আৰু অপমানে তোমাৰ সন্মান ছানি ধৰিব।

17লিবানোনলৈ কৰা অত্যাচাৰে তোমাক ঢাকিব, আৰু পশুবোৰৰ ধ্বংস দেখি তুমি আতঙ্কিত হ'বা;

মানুহৰ ৰক্তপাতৰ কাৰণে, আৰু দেশ, নগৰ, আৰু তাত থকা সকলো নিবাসীলৈ কৰা অত্যাচাৰৰ বাবেই এইদৰে ঘটিব।

18কটা-প্ৰতিমাই তোমাক কি উপকাৰ কৰে, যে তাৰ বাবে নিৰ্মাণকাৰীয়ে তাক কাটে? বা গলোৱা ধাতুৰ পৰা প্ৰতিমা তৈয়াৰ কৰে, তেওঁ এজন মিছা শিক্ষক;

যেতিয়া নিৰ্মাণকাৰীয়ে নিষ্প্ৰাণ মূৰ্ত্তি তৈয়াৰ কৰে, তেতিয়া তেওঁ নিজৰ হাতৰ কাৰ্মত বিশ্বাস কৰে।

19যি জনে কাঠক সাৰ পোৱা বুলি কয়, বা শিলক উঠা বুলি কয়, তেওঁৰ সন্তাপ হব! সেইবোৰে জানো শিক্ষা দিব?

চোৱা, এইবোৰত সোণ আৰু ৰূপ খটোৱা হৈছে, কিন্তু সেইবোৰৰ ভিতৰত কিঞ্চিতো প্ৰাণবায়ু নাই।

20কিন্তু যিহোৱা নিজৰ প্ৰবিত্ৰ মন্দিৰত আছে; সমুদাই পৃথিৱী তেওঁৰ আগত নিজম দি থাকক।

## Chapter 3

### হবক্কুকৰ প্ৰৰ্থনা।

1ভাববাদী হবক্কুকৰ প্ৰাৰ্থনা:

2হে যিহোৱা, মই আপোনাৰ বাৰ্ত্তা শুনিলোঁ, আৰু মোৰ ভয় লাগিছে!

হে যিহোৱা, এই সময়ৰ ভিতৰত আপোনাৰ কাৰ্য পুনৰ আৰম্ভ কৰক, আৰু এই সময়ৰ ভিতৰতে আমাক জনাওঁক;

ক্ৰোধৰ সময়ত আপুনি দয়া সোঁৱৰণ কৰক।

3ঈশ্বৰ তৈমনৰ পৰা, আৰু পবিত্ৰ জনা পাৰণ পৰ্ব্বতৰ পৰা আহিছে; চেলা।

তেওঁৰ গৌৰৱে আকাশ-মণ্ডল আৱৰি ধৰিছিল, আৰু পৃথিবী তেওঁৰ প্ৰশংসাৰে পৰিপূৰ্ণ হৈছিল।

4তেওঁৰ হাতৰ ৰশ্মি জ্বলি থকা পোহৰৰ দৰে,

আৰু তাতেই তেওঁ তেওঁৰ পৰাক্ৰম ধৰি ৰাখে।

5তেওঁৰ আগে আগে মহামাৰী যায়, আৰু তেওঁৰ খোজৰ পাছত প্লেগ ৰোগ যায়।

6তেওঁ থিয় হয় আৰু পৃথিবী জোখে;, তেওঁ চাই আৰু দেশবিলাক কম্পমান কৰে!

এনে কি চিৰস্থায়ী পৰ্ব্বতবোৰ ছিন্ন-ভিন্ন হৈছে, আৰু চিৰস্থায়ী পাহাৰবোৰ পৰি গৈছে;

তেওঁৰ পথ অনন্তকলীয়া।

7মই দেখিলোঁ, কূচনৰ তম্বুবোৰ দুখত আছে; আৰু মিদিয়ন দেশৰ তম্বুৰ কাপোৰবোৰ কঁপিছে।

8নদীবোৰৰ সৈতে যিহোৱাৰ ক্ৰোধ হৈছে নে? আপোনাৰ ক্ৰোধ নদীবোৰৰ বা আপোনাৰ উত্তেজনা সাগৰৰ বিৰুদ্ধে নে?

যেতিয়া আপুনি আপোনাৰ ঘোঁৰাবোৰৰ ওপৰত উঠে তেতিয়া আপোনাৰ ৰথে ৰক্ষা পাই নে?

9আপুনি আপোনাৰ ধনু আবৃত নকৰাকৈ লৈ আহিছে; আপুনি আপোনাৰ ধনুত কাঁড় লগাইছে! চেলা।

আপুনি পৃথিবীখন নদীবোৰেৰে ভাগ কৰিছা।

10পৰ্ব্বতবোৰ আপোনাক দেখিছে আৰু ক্লেশত মোচোৰা খাইছে;

অগাধ জল সেইবোৰৰ ওপৰেৰে গৈছে; গভীৰ সাগৰে গৰ্জন কৰিছে!

ই ওপৰলৈ ঢৌবোৰ উঠায়।

11আপোনাৰ উৰি যোৱা কাড়ৰ পোহৰ আৰু আপোনাৰ চকমকায় থকা যাঠিৰ উজ্জলতাত,

সূৰ্য আৰু চন্দ্ৰ নিজৰ নিজৰ উচ্চ স্থানত স্থিৰ হৈ আছে।

12আপুনি ধিক্কাৰেৰে পৃথিবীৰ মাজেদি যাত্ৰা কৰিছে। আপুনি ক্ৰোধত দেশবোৰক মৰণা মাৰাদি মাৰিছে।

13আপুনি আপোনাৰ লোকসকলৰ পৰিত্ৰাণৰ আৰু আপোনাৰ অভিষিক্ত জনৰ পৰিত্ৰাণৰ বাবে ওলাই গৈছে।

আপুনি দুষ্টলোকৰ ঘৰৰ মূৰব্বীক গুড়ি কৰি ডিঙিৰ পৰা ভিত্তিমূললৈকে অনাবৃত্ত কৰিলে। চেলা।

14আপুনি যুদ্ধাৰুসকলৰ সেনাপতিসকলক তেওঁলোকৰ নিজৰ কাড়েৰে খুঁচিলে; তেওঁলোকে ধুমুহাৰ দৰে আমাক ছিন্ন-ভিন্ন কৰিবলৈ আহিছিল,

তেওঁলোকে দুখীয়াক গুপুত স্থানত ৰখাৰ দৰে গ্ৰাস কৰিছিল।

15আপুনি ঘোঁৰাবোৰে সৈতে সাগৰৰ ওপৰেৰে যাত্ৰা কৰিলে, আৰু মহাজলৰাশি স্তূপকৃত কৰিলে।

16মই শুনিলোঁ আৰু মোৰ ভিতৰ অংশ কঁপি উঠিল! শব্দত মোৰ ওঁঠ কঁপি উঠিছে!

মোৰ হাড়বোৰ ক্ষয় হ’ব ধৰিছে, আৰু মোৰ ভিতৰ অংশ কঁপি উঠিছে

তথাপি, যি সকলে আমাক আক্ৰমণ কৰিলে তেওঁলোকৰ ওপৰলৈ সঙ্কটৰ দিন অহাৰ বাবে মই নিৰৱে অপেক্ষা কৰি আছোঁ।

17যদিও ডিমৰু গছত কলি হোৱা নাই, আৰু তাত দ্ৰাক্ষালতাৰ পৰা গুটি উৎপন্ন হোৱা নাই,

যদিও জলফাই গছৰ উৎপন্নই হতাশ কৰিছে, আৰু পথাৰবোৰত শস্য উৎপন্ন হোৱা নাই,

যদিও গঁৰালৰ পৰা ভেড়াৰ জাকক উচ্ছন্ন কৰা হৈছে, আৰু গোহালিত এটাও গৰু নাই,

18তথাপিও মই যিহোৱাত আনন্দ কৰিম, মোৰ ত্ৰাণকৰ্ত্তা ঈশ্বৰত মই উল্লাস কৰিম।

19প্ৰভু যিহোৱা মোৰ বল;

আৰু তেওঁ মোৰ ভৰি হৰিণীৰ ঠেংৰ দৰে কৰিছে, আৰু মোৰ ওখ ঠাইবোৰত মোক চলাই লৈ যাব।

সংগীত পৰিচালকলৈ; মোৰ তাৰযুক্ত বাদ্যেৰে।

# অবদানকাৰী

## Assamese Unlocked Literal Bible অবদানকাৰী

Ajit Kumar Singha
Antoney Raj
Basanta Kumar Sarma
Cdr. Thomas Mathew
Dr. Bobby Chellappan
Hinal Prakash
Jobby Prasannan
Jumi Devi
Kanika Dhar
Kavita Bora
Merlyn Easa
Numali Tara
Rev. Tarun Singha
Rinu John
Sangeet Momin
Shojo John
Door43 World Missions Community

## Tischendorf Greek New Testament 8th edition অবদানকাৰী

eBible.org
Clint Yale
Dr. Maurice A. Robinson
Ulrik Sandborg-Petersen
Door43 World Missions Community